# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 26-SEP-2025
**Time :** 0900  Hrs

***Assamese Morning Bulletin***
***Headlines***

--------------------

১।	জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাৰ বাসগৃহৰ পৰা বহু আপত্তিজনক নথি-পত্ৰ জব্দ।

২।	বিটিচি পৰিষদীয় নিৰ্বাচনৰ ৪০ টা সমষ্টিৰ ভোটগণনা পুৱাৰে পৰা আৰম্ভ।

৩।	বিশ্ব ঐতিহ্যক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আজিৰেপৰা পৰ্যটকৰ বাবে পুনৰ মুকলি।

৪।	শাৰদীয় দুৰ্গা পূজালৈ মাজত মাথো এদিন বাকী থকা অৱস্থাত ৰাজ্যৰ বিভিন্ন পূজা মণ্ডপত পূজাৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ।

**আৰু**

৫।	এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগিতাত বাংলাদেশক হৰুৱাই পাকিস্তানৰ ফাইনেলত প্ৰৱেশ।

oooooo

শিল্পী জুবিন গাৰ্গৰ অকাল মৃত্যুৰ ঘটনা সন্দৰ্ভত বিশেষ অনুসন্ধানকাৰী গোট - এছ্ আই টিয়ে কালি নৰ্থ-ইষ্ট ফেষ্টিভেলৰ আয়োজক শ্যামকানু মহন্তৰ গুৱাহাটীৰ গীতানগৰত থকা বাসভৱনৰ পৰা বহু আপত্তিজনক নথি-পত্ৰ জব্দ কৰে। চি আই ডিয়ে জুবিন গাৰ্গৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাৰ গুৱাহাটীৰ ধীৰেণপাৰাত থকা বাসগৃহতো অভিযান চলায়। চি আই ডিৰ অভিযানৰ সময়তে মেনেজাৰজনৰ ঘৰৰ বাহিৰত উত্তেজিত একাংশ লোকে শিল নিক্ষেপ কৰাত ১৫ জনৰো অধিক আৰক্ষী আৰু চি আই ডিৰ লোক আহত হোৱাৰ লগতে দুখন বাহনো ক্ষতিগ্ৰস্ত হয়। আৰক্ষীয়ে উত্তেজিত জনতাক বহু কষ্ট কৰি নিয়ন্ত্ৰণ কৰে। বৰ্তমান শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাৰ বাসগৃহ ছীল কৰি দিয়া হৈছে। কালি এছ্ আই টিৰ দলে জালুকবাৰীৰ গাড়িগাঁৱত জুবিন গাৰ্গৰ বাদ্যযন্ত্ৰী শেখৰজ্যোতি গোস্বামীক কেইবাঘণ্টা ধৰি সোধা-পোছাৰ অন্তত গ্ৰেপ্তাৰ কৰে। মুখ্য অনুসন্ধানকাৰী বিষয়া ৰ'জী কলিতাই আজি মুখ্যমন্ত্ৰীক সাক্ষাৎ কৰি আনুষ্ঠানিকভাৱে কেতবোৰ তথ্য ৰাজহুৱা কৰাৰ সম্ভাৱনা আছে।

জুবিন গাৰ্গৰ ছিংগাপুৰৰ সাগৰত বুৰি দুৰ্ভাগ্যজনকভাৱে মৃত্যু হোৱা ঘটনা সন্দৰ্ভত এছ্ আই টিয়ে সেই দলৰ সৈতে ছিংগাপুৰলৈ যোৱা সকলো ব্যক্তিকে সোধা-পোছা কৰাৰ সিদ্ধান্ত লৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সংবাদমাধ্যমৰ আগত এই বিষয়ে প্ৰকাশ কৰি কয়, যে এই ঘটনাৰ সৈতে জড়িত কোনো লোকক ৰেহাই দিয়া নহ'ব। মুখ্যমন্ত্ৰীয়ে লগতে ঘটনাৰ সৈতে সম্পৰ্ক থকা যিকোনো বিশ্বাসযোগ্য তথ্য কাৰোবাৰ হাতত থাকিলে সেইসমূহ পোনপটীয়াকৈ digp-cid@assampolice.gov.in লৈ মেইল যোগে প্ৰেৰণ কৰিবলৈ আহ্বান জনাইছে। ড° শৰ্মাই এছ্ আই টিৰ তদন্তৰ ওপৰত ভৰষা ৰাখিবলৈ ৰাজ্যবাসীক আহ্বান জনাইছে। তেওঁ কয়, যে শিল্পীগৰাকীৰ মৃত্যুৰ ৰহস্য ভেদ কৰাত এছ্ আই টি ব্যৰ্থ হ'লে চি বি আইৰ দ্বাৰা তদন্ত কৰোৱা হ'ব।

oooooo

অসম সাহিত্য সভাই শিল্পী জুবিন গাৰ্গৰ ৰচনাৱলী প্ৰস্তুত কৰাৰ বাবে বিশেষ পদক্ষেপ লৈছে। এই ৰচনাৱলী ২০২৬ বৰ্ষত প্ৰকাশ কৰা হ'ব বুলি অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীয়ে প্ৰকাশ কৰিছে। অসম সাহিত্য সভাই যোৰহাটৰ কেন্দ্ৰীয় কাৰ্যালয়ত আয়োজিত এখন সংবাদমেলত কালি সভাপতিগৰাকীয়ে কয়, যে শিল্পীগৰাকীৰ জীৱনী প্ৰাৰম্ভিক পৰ্যায়ত অসমীয়া, হিন্দী আৰু ইংৰাজী ভাষাত প্ৰকাশ কৰা হ'ব আৰু পৰৱৰ্তী সময়ত ৰাজ্যৰ সঁহাৰি পালে এই সংকলন তামিল, তেলেগু, কানাড়া আৰু মালায়ালম ভাষালৈ অনুবাদ কৰা হ'ব। তেওঁ কয়, যে জুবিন গাৰ্গ কেৱল শিল্পীয়েই নাছিল, তেওঁ প্ৰতিগৰাকী অসমীয়াৰ প্ৰাণ আৰু আত্মাৰ স্বৰূপ আছিল। শিল্পীগৰাকীৰ প্ৰতি অসমবাসীয়ে দেখুওৱা শ্ৰদ্ধা বিশ্বতেই বিৰল বুলি সভাপতিগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০

জনতাৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ উচ্চ পৰ্যায়ৰ তদন্ত বিচাৰি কালি আছাম পাব্লিক ৱৰ্কছ্ আৰু অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ নামৰ সংগঠন দুটাই গুৱাহাটী উচ্চ ন্যায়ালয়ত এখন ৰাজহুৱা স্বাৰ্থজড়িত আবেদন দাখিল কৰে। জ্যেষ্ঠ অধিবক্তা কমল নয়ন চৌধুৰীয়ে যুক্তি প্ৰদৰ্শন কৰিবলগীয়া এই আবেদনখনৰ অহা ১০ নৱেম্বৰত শুনানি গ্ৰহণ কৰা হ'ব। উল্লেখযোগ্য যে এই ঘটনাৰ তদন্ত বিচাৰি উচ্চ ন্যায়ালয়ত এতিয়ালৈ তিনিখন আবেদন দাখিল হৈছে। ঘটনাৰ তদন্ত বিচাৰি যোৱা বুধবাৰে এজন অধিবক্তাই দাখিল কৰা আন এখন ৰাজহুৱা স্বাৰ্থজড়িত আবেদনৰ শুনানি অহা ৮ নৱেম্বৰত গ্ৰহণ কৰা হ'ব। অৱশ্যে কোনো ব্যক্তিগত স্বাৰ্থত যদি এই আবেদনখন দাখিল কৰা হৈছে তেনেহ'লে আবেদনকাৰীৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলিও আদালতে সকীয়াই দিছে।

০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি লোকসেৱা ভৱনত সোণোৱাল কছাৰী সমাজৰ প্ৰতিনিধিসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকত মূলতঃ সোণোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচন, সাংস্কৃতিক ঐতিহ্যৰ সংৰক্ষণ আৰু প্ৰচাৰ তথা সামগ্ৰিক বিকাশৰ বিভিন্ন দিশ সন্দৰ্ভত আলোচনা কৰা হয়।

ড° শৰ্মাই ইয়াৰ পূৰ্বে সদৌ মৰাণ ছাত্ৰ সন্থা আৰু মৰাণ জাতীয় মহিলা পৰিষদৰ বিষয়ববীয়াসকলৰ সৈতে আন এখন বৈঠকত মিলিত হয়। বৈঠকত জনগোষ্ঠীটোৰ জনজাতিকৰণৰ দাবীকে ধৰি বহুকেইটা গুৰুত্বপূৰ্ণ বিষয় লৈ আলোচনা কৰা হয়। মৰাণসকলৰ জনজাতিকৰণৰ দাবীক লৈ চৰকাৰে ইতিবাচক দৃষ্টিভংগীৰে আগবাঢ়িছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। বৈঠকত অৰুণাচল প্ৰদেশত বসবাস কৰা মৰাণসকলক স্থায়ী বাসিন্দাৰ প্ৰমাণ পত্ৰ প্ৰদান, গ্ৰেজিঙৰ ভূমিত বাস কৰা মৰাণসকলক ভূমিৰ অধিকাৰ প্ৰদান, স্বায়ত্তশাসিত পৰিষদৰ সীমা নিৰ্ধাৰণ আদি সন্দৰ্ভত আলোচনা কৰা হয়। মুখ্যমন্ত্ৰী শৰ্মাই এই বিষয়সমূহত তাৎক্ষণিক আৰু দীৰ্ঘম্যাদী পদক্ষেপ ল'বলৈ বিভাগীয় বিষয়াসকলক নিৰ্দেশ দিয়ে।

০০০০০০

বিটিচি পৰিষদীয় নিৰ্বাচনৰ ভোটগণনা আজি পুৱা ৮ বজাৰ পৰা আৰম্ভ হৈছে। ৪০টা পৰিষদীয় সমষ্টিৰ বাবে হোৱা ভোটগণনা পুৱাৰে পৰা কটকটীয়া নিৰাপত্তাৰ মাজেৰে চলি আছে। এই ভোটগণনাৰ জৰিয়তে ৩১৬ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় হ'ব। আবেলিৰ ভিতৰত আটাইকেইটা সমষ্টিৰ ফলাফল ঘোষণা হোৱাৰ সম্ভাৱনা আছে। উল্লেখযোগ্য যে যোৱা ২২ ছেপ্তেম্বৰত বিটিচি পৰিষদীয় নিৰ্বাচনৰ ভোটগ্ৰহণত ৭৮ দশমিক ৪-২ শতাংশ লোকে ভোটদান কৰিছিল। ইয়াৰ ভিতৰত কোকৰাঝাৰ জিলাৰ ১২টা সমষ্টিত ৮২ দশমিক ২-৭ শতাংশ, ওদালগুৰি জিলাৰ ১০টা সমষ্টিত ৭৫ দশমিক ১-৭ শতাংশ, তামুলপুৰ জিলাৰ ৪টা সমষ্টিত ৭৫ দশমিক ০-৯ শতাংশ, বাক্সাৰ ৬টা সমষ্টিত ৭৬ দশমিক ৯-২ শতাংশ আৰু চিৰাং জিলাৰ ৭টা সমষ্টিত ৮০ দশমিক ১-১ শতাংশ লোকে ভোটৰ অধিকাৰ সাব্যস্ত কৰিছিল।

কোকৰাঝাৰ জিলাৰ ১২টা পৰিষদীয় সমষ্টিৰ ভোটগণনা কেইবাটাও ভোটকেন্দ্ৰত পুৱাৰে পৰা আৰম্ভ হৈছে। জিলাখনৰ ভোটাৰ ৰাইজে আজি ১২ টা সমষ্টিৰ ১০০ গৰাকী প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় কৰিব। কোকৰাঝাৰ জিলাৰ ভোটগণনা সন্দৰ্ভত এয়া আমাৰ জিলাখনৰ সংবাদদাতা প্ৰীতম ব্ৰহ্ম চৌধুৰী-

*(বাইট ঃ প্ৰীতম)*

চিৰাং জিলাত সাতটা পৰিষদীয় সমষ্টিৰ বাবে আজি পুৱা ৮ বজাৰ পৰা ভোটগণনা অনুষ্ঠিত হৈছে। ইয়াৰ বাবে উপেন্দ্ৰনাথ ব্ৰহ্ম মহাবিদ্যালয়ত ৩৮খন টেবুল আৰু বিজনী মহকুমাৰ ভোটগণনাৰ বাবে ৫৪খন টেবুল সাজু কৰা হয়। জিলাখনৰ সাতটা পৰিষদীয় সমষ্টিত ৫৬গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে।

বাক্সা জিলাৰ সদৰ মুছলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত পুৱাৰে পৰা ভোটগণনা অনুষ্ঠিত হৈছে। এই ভোটগণনাৰ জৰিয়তে ৫২গৰাকী প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় হ'ব। মুঠ ১৪খন টেবুলত ভোটগণনা কৰা হৈছে।

তামুলপুৰ জিলাৰ পাঁচটা পৰিষদীয় সমষ্টিত আজি ৪১গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় হ'ব। প্ৰায় সাতটা ৰাউণ্ডত ভোটগণনা কৰা হ'ব বুলি জিলা প্ৰশাসনৰ সূত্ৰই প্ৰকাশ কৰিছে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা মতে এইবাৰ বিটিআৰত বিজেপিয়ে পূৰ্বৰ তুলনাত ভাল ফলাফল দেখুৱাব। কিন্তু জুবিন গাৰ্গৰ মৃত্যুৰ বাবে দলটোৱে আশা কৰা ধৰণে বিটিচি নিৰ্বাচনত ফলাফল লাভ নকৰিব বুলিও তেওঁ কয়। জনতাৰ শিল্পীগৰাকীৰ মৃত্যুৰ বাবে বিজেপিয়ে নিৰ্বাচনৰ অন্তিম সময়ছোৱাত ভালকৈ প্ৰচাৰ চলাব নোৱাৰিলে বুলিও তেওঁ সংবাদ মাধ্যমৰ আগত উল্লেখ কৰে।

০০০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ ৪১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, এফ এম বেণ্ডৰ ১০১ দশমিক ৬ মেগাহাৰ্টজত শুনিছে। নামনি অসমৰ শ্ৰোতাসকলে আমাৰ এই বাতৰি এফ এম বেণ্ডৰ ১০২ মেগা হাৰ্টজত আকাশবাণী কোকৰাঝাৰ কেন্দ্ৰৰ পৰা, ১০৩ দশমিক ৩ মেগা হাৰ্টজত আকাশবাণী ধুবুৰী কেন্দ্ৰৰ পৰা, ১০২ দশমিক ৬ মেগা হাৰ্টজত গোৱালপাৰা ৰিলে কেন্দ্ৰৰ পৰা শুনিবলৈ পাইছে।

এই বাতৰি আমাৰ **ফে'চবুক পেজ-এ আই আৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙৰ** লগতে নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০০

বিশ্ব ঐতিহ্যক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আজিৰেপৰা পৰ্যটকৰ বাবে পুনৰ মুকলি কৰা হৈছে। ৰাষ্ট্ৰীয় উদ্যানখনৰ বাগৰি বনাঞ্চলত আজি পুৱা চাৰে ৭ বজাত জীপ ছাফাৰী আৰম্ভ হৈছে। ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই দুৰ্গা পূজাৰ সময়ত পৰ্যটকৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি এইবাৰ আগতীয়াকৈ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান মুকলি কৰাৰ সিদ্ধান্ত লৈছে। প্ৰিয় শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপনেৰে আজি ৰাষ্ট্ৰীয় উদ্যানখন মুকলি কৰা হয়। এই সন্দৰ্ভত আমাৰ গোলাঘাটৰ সংবাদদাতা হিৰণ্য গগৈয়ে সবিশেষ জনাইছে।

বাইট

ইপিনে, কাজিৰঙাৰ কঁহৰা বনাঞ্চল অহা অক্টোবৰৰ দ্বিতীয় সপ্তাহত আৰু হাতী ছাফাৰী ১ নৱেম্বৰত মুকলি হোৱাৰ সম্ভাৱনা আছে বুলি উদ্যান কৰ্তৃপক্ষই প্ৰকাশ কৰিছে। ৰাজ্যৰ অন্য এখন বিশ্ব ঐতিহ্যক্ষেত্ৰ মানাহ ৰাষ্ট্ৰীয় উদ্যান যোৱা বুধবাৰৰপৰা পুনৰ পৰ্যটকৰ বাবে মুকলি কৰা হৈছে।

০০০০০০

শাৰদীয় দুৰ্গা পূজালৈ মাজত মাথো এদিন বাকী থকা অৱস্থাত ৰাজ্যৰ বিভিন্ন পূজা মণ্ডপত পূজাৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। ৰাজ্যবাসীয়ে বেদীত দুৰ্গাৰ প্ৰতিমূৰ্তি স্থাপন কৰি পূজা-অৰ্চনাৰ বাবে সাজু হৈছে যদিও জনতাৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ শোকত ম্ৰিয়মান হৈ থকাৰ বাবে পূজাৰ উছাহ ম্লান পৰিছে। শিল্পীগৰাকীৰ আকস্মিক

দেহাৱসানে সৃষ্টি কৰা শূন্যতাৰ পৰিৱেশৰ সৈতে এতিয়াও ৰাজ্যবাসী সহজ হৈ উঠা নাই। প্ৰাণৰ শিল্পীগৰাকীৰ মৃত্যুত ৰাজ্য শোকাচ্ছন্ন হৈ থকাৰ বাবে বজাৰতো ক্ৰেতাৰ ভিৰ পৰিলক্ষিত হোৱা নাই।

শাৰদীয় নৱৰাত্ৰিৰ কালি চতুৰ্থ দিনা দেৱী দুৰ্গাক কুষ্মাণ্ডা ৰূপত পূজা কৰা হৈছে। দেৱীৰ এই ৰূপে সুস্বাস্থ্য, ইতিবাচক শক্তি আৰু প্ৰাণোচ্ছল জীৱনৰ বাবে প্ৰেৰণা দিয়ে বুলি বিশ্বাস কৰা হয়। আনহাতে আজি দেৱী দুৰ্গাক স্কন্দমাতা ৰূপত পূজা কৰা হ'ব। শক্তিপীঠ কামাখ্যা ধামকে ধৰি ৰাজ্যৰ বিভিন্ন প্ৰাচীন দেৱালয়সমূহত নৱৰাত্ৰিৰ পূজা পৰম্পৰাগত ৰীতি নীতিৰে সম্পন্ন কৰা হৈছে। দেওবাৰে ষষ্ঠীৰ বেদীত দেৱীক প্ৰতিষ্ঠা কৰা হ'ব। কামাখ্যা ধামত আড়ম্বৰ পৰিহাৰ কৰি সম্পূৰ্ণ ধৰ্মীয় ৰীতি-নীতিৰে এই পূজা কৰা হয়। বিশেষকৈ শক্তিপীঠত আয়োজিত কুমাৰী পূজাই বিশেষ তাৎপৰ্য্য বহন কৰে। নৱৰাত্ৰিৰ প্ৰথম দিনাৰ পৰা শেষৰ দিনটোলৈকে প্ৰতিদিনে ইয়াত কুমাৰী পূজা কৰা হয়।

অসম চৰকাৰে ইতিমধ্যে ৰাজ্যৰ ৭ হাজাৰ ৮১৭ খন দুৰ্গা পূজা সমিতিলৈ উৎসৱ উদযাপনৰ বাবে ১০ হাজাৰ টকাকৈ আৰ্থিক অনুদান আগবঢ়াইছে।

০০০০০০

এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা ডুবাইত অনুষ্ঠিত ছুপাৰ ফ'ৰ পৰ্যায়ৰ এখন খেলত পাকিস্তানে বাংলাদেশক ১১ ৰানত হৰুৱাই ফাইনেলত নিজৰ স্থান নিশ্চিত কৰিছে। এই জয়ৰ সুবাদত অহা দেওবাৰে হ'বলগীয়া প্ৰতিযোগিতাৰ ফাইনেলত পাকিস্তান ভাৰতৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। উল্লেখযোগ্য যে, সপ্তদশবাৰৰ বাবে অনুষ্ঠিত এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাত প্ৰথমবাৰৰ বাবে ভাৰত আৰু পাকিস্তান ফাইনেলত মুখামুখি হ'ব।

কালি পাকিস্তানে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৮ উইকেটৰ বিনিময়ত ১৩৫ ৰান সংগ্ৰহ কৰে। দলৰ হৈ মহম্মদ হেৰিছে ৩১ আৰু মহম্মদ নাৱাজে ২৫ ৰান কৰে। প্ৰত্যুত্তৰত বাংলাদেশে জয়ৰ চেষ্টা চলাই যদিও পাকিস্তানৰ সুন্দৰ বলিঙৰ সন্মুখত বাংলাদেশৰ বেটিং লাইন বিধবস্ত হৈ পৰে। দলটোৱে ৯ উইকেটৰ বিনিময়ত ১২৪ ৰানহে কৰিবলৈ সমৰ্থ হয়। পাকিস্তানৰ ছাহিন আফ্ৰিদিক বেটিং আৰু বলিঙত কৰা সুন্দৰ প্ৰদৰ্শনৰ বাবে প্লেয়াৰ অৱ দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

ইপিনে ফাইনেলৰ পূৰ্বে ছুপাৰ ফ'ৰ পৰ্যায়ৰ আন এখন খেলত আজি ভাৰত শ্ৰীলংকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০

NPR/RNU (26-09-2025) MRN.

জনতাৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত গুৱাহাটীৰ তিনিটা পৃথক স্থানত এছ আই টিৰ অভিযান, জুবিন গাৰ্গৰ দীৰ্ঘদিনীয়া সহযোগী শেখৰজ্যোতি গোস্বামীক গ্ৰেপ্তাৰ, ছিংগাপুৰত ঘটনাৰ সময়ত লগত থকা সকলোকে তদন্তৰ আওতালৈ অনা হ'ব বুলি মুখ্যমন্ত্ৰীৰ ঘোষণা, বি টি চি নিৰ্বাচনৰ ভোটগণনা আদিকে ধৰি ভিন ভিন বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে। **অসমীয়া প্ৰতিদিন** কাকতে জুবিন গাৰ্গৰ মৃত্যুৰ ন্যায় বিচাৰি অনুৰাগীয়ে কালি শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাৰ বাসগৃহ ঘেৰাও কৰি বিক্ষোভ প্ৰদৰ্শনৰ এটা বাতৰি 'আৰক্ষী-প্ৰতিবাদীৰ সংঘৰ্ষত ৰাঙলী ৰাজপথ' শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে। একেটা বাতৰিকে **দৈনিক জনমভূমি** কাকতে 'জ্বলি আছে জুবিনৰ অনুৰাগীৰ ক্ষোভৰ জুই' শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে। **নিয়মীয়া বাৰ্তা** কাকতৰ শিৰোনাম 'শ্যামকানুৰ ঘৰত তালাচী, শেখৰক গ্ৰেপ্তাৰ'। একেটা বাতৰিকে **দৈনিক অসম, দৈনিক অগ্ৰদূত** আৰু **অসমীয়া খবৰ** কাকতে ভিন ভিন শিৰোনামেৰে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। ছিংগাপুৰৰ সাগৰত জুবিন গাৰ্গৰ সৈতে থকা সকলোকে তদন্তৰ আওতালৈ অনা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰাৰ আন এটা বাতৰি **আমাৰ অসম** কাকতে গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। বি টি চিৰ ৪০ টা পৰিষদীয় সমষ্টিৰ নিৰ্বাচনৰ ভোটগণনা আজি পুৱাৰেপৰা অনুষ্ঠিত হোৱাৰ বাতৰিটো **দি আছাম ট্ৰিবিউন** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আত্মনিৰ্ভৰ ভাৰতৰ লক্ষ্যপ্ৰাপ্তিৰ বাবে সকলো নাগৰিকক থলুৱাভাৱে নিৰ্মিত সামগ্ৰী

ব্যৱহাৰ কৰিবলৈ আহ্বান জনাইছে। এই বাতৰিটো **দা ছেণ্টিনেল** কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৭ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৭ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত নাগালেণ্ড আৰু মিজোৰামত মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। ইফালে, অসম, অৰুণাচল প্ৰদেশ, মণিপুৰ, ত্ৰিপুৰা আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত